# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-04-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

০০০০০

আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰতিষ্ঠা দিৱস। ১৯৪৮ চনৰ আজিৰ দিনটোতে কাৰ্যকৰীকৰণেৰে গুৱাহাটী উচ্চ ন্যায়ালয় প্ৰতিষ্ঠা হৈছিল। এই উপলক্ষে সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্য তথা উত্তৰ পূৰ্বাঞ্চলৰ ন্যায় ব্যৱস্থাৰ দৃষ্টিকোণেৰে আজি এটা অতি উল্লেখযোগ্য দিন। ন্যায়ালয় প্ৰতিষ্ঠাৰ আঁৰৰ ব্যক্তিসকলক স্মৰণ কৰাৰ লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে বৰ্তমানে ন্যায়ালয়ৰ সৈতে জড়িত থকা প্ৰতিগৰাকী ব্যক্তিলৈ অভিনন্দন তথা শুভেচ্ছা জ্ঞাপন কৰে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও সামাজিক মাধ্যমযোগে কয় যে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ ন্যায় প্ৰণালীৰ অন্যতম স্তম্ভ হিচাপে গুৱাহাটী উচ্চ নায়ালয়ে দীৰ্ঘদিন ধৰি পালন কৰি অহা সাংবিধানিক ভূমিক গৌৰৱপূৰ্ণ। ন্যায়, নৈতিকতা আৰু গণতান্ত্ৰিক মূল্যবোধৰ সংৰক্ষণত অতুলনীয় অৱদান আগবঢ়োৱা ব্যক্তিসকললৈ ডাঃ পেগুৱে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অৰুণাচল প্ৰদেশত আয়োজিত ম'পিন উৎসৱত অংশগ্ৰহণ কৰে। ৰাজ্যখনৰ মূলতঃ ইষ্ট আৰু ৱেষ্ট ছিয়াং জিলাৰ গালো জনগোষ্ঠীয় লোকসকলে ম'পিন উৎসৱ পালন কৰি আহিছে। প্ৰকৃতি শক্তি আৰু সমৃদ্ধিৰ বাবে উদযাপন কৰা ম'পিন উৎসৱত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁক আমন্ত্ৰণ জনোৱাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু গালো জনগোষ্ঠীয় আয়োজক মণ্ডলীক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অৰুণাচল প্ৰদেশ আৰু অসম কেৱল ভৌগোলিক সীমাৰেই নহয় বহু শতিকাজোৰা ঐতিহ্য সভ্যতা শিপাৰে সংযুক্ত সমন্বয়ৰ প্ৰতীক। অসমীয়া সমাজৰ বহু উৎসৱৰ দৰেই ম'পিন উৎসৱৰো আধাৰ প্ৰকৃতিয়েই বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষা সম্পূৰ্ণ হোৱা বিষয়কেইটাত পৰিক্ষাৰ্থীয়ে লাভ কৰা নম্বৰ অন্তৰ্ভুক্তিৰ বাবে আজিৰে পৰা পোৰ্টেল মুকলি কৰিছে। পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়কেইটাৰ ক্ষেত্ৰত নম্বৰ অন্তৰ্ভুক্তিৰ বাবে ২২ এপ্ৰিলত পুনৰ পোৰ্টেল মুকলি কৰা হ'ব বুলি পৰিষদে জানিবলৈ দিছে। এটা নিৰ্দেশনাযোগে পৰিষদে কয়, যে নম্বৰ অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত শিক্ষানুষ্ঠানৰ মুৰব্বীয়ে ছাত্ৰ-ছাত্ৰীক মাৰ্কশ্বিট ডাউনল'ড কৰিব পাৰিব।

০০০০০

প্ৰয়াত ৰেকিবুদ্দিন আহমেদৰ সোঁৱৰণত গঢ় লৈ উঠা জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী জিকিৰ-জাৰী চৰ্চা আৰু গৱেষণা মঞ্চ অসমৰ উদ্যোগত আজি শিৱসাগৰৰ যুৱদলত বিশেষ স্মাৰক বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত লোক সংস্কৃতিৰ সাধক ড০ অনিল শইকীয়াই জিকিৰৰ সাংগীতিক সৌন্দৰ্য শীৰ্ষক বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানতে লোকশিল্পী তথা ভাৰত চৰকাৰৰ সংগীত নাটক অকাডেমী বঁটাপ্ৰাপক তৰাৱতী বড়িক ২০২৪-২৫ বৰ্ষৰ ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী বঁটা আৰু জিকিৰ শিল্পী ছামছুদ্দিন আহমেদক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। জিকিৰ-জাৰী প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নিৰলসভাৱে কাম কৰি যোৱা অসমৰ ভিন্ন প্ৰান্তৰ জিকিৰ শিল্পীকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়।

০০০০০

গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ একবিংশতিতম্ কেন্দ্ৰীয় দ্বিবাৰ্ষিক গোলাঘাট অধিবেশনৰ আজি দ্বিতীয় দিনা মুকলি সভা অনুষ্ঠিত হয়। সভাত বিত্ত মন্ত্ৰী অজন্তা নেওগ, মন্ত্ৰী অতুল বৰা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি, পলাশ চাংমাইসহ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। কাইলৈ অধিবেশনৰ সামৰণি পৰিব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন হ'বলগীয়া জিলাকেইখনৰ লগতে শ্ৰীভূমি জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। অধিসূচনা অনুসৰি ১১ এপ্ৰিলৈ চৰকাৰী বন্ধ বাদ দি বাকী দিনসমূহত পুৱা ১১ বজাৰ বিয়লি ৩ বজাৰ ভিতৰত প্ৰাৰ্থীয়ে কাৰ্যালয়ৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াক মনোনয়ন পত্ৰ প্ৰাৰ্থীয়ে নিজে বা প্ৰস্তাৱকৰ জৰিয়তে দাখিল কৰিব পাৰিব। ১২ এপ্ৰিলৰ পুৱা চাৰে ১০ বজাৰ পৰা একেস্থানতে মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিলৰ বিয়লি ৩ বজাৰ ভিতৰত একেস্থানতে মনোনয়ন প্ৰত্যাহাৰৰ বাবে দাখিল কৰিব পাৰিব। জিলাখনত ১৬ খন জিলা পৰিষদৰ আসনৰ বাবে ১৬ জন সদস্য, ৯৫ জন আঞ্চলিক পঞ্চায়ত সদস্য আৰু ৯৫০ জন গাঁও পঞ্চায়তৰ সদস্য নিৰ্বাচনৰ বাবে ২ মে'ত ভোটগ্ৰহণ হ'ব।

হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি জিলাখনত দ্বিতীয় পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। জিলাখনত ৭৭৪টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ হ'ব। জিলাখনত মুঠ ভোটাৰৰ সংখ্যা ৬ লাখ ৩০ হাজাৰ ৬০০ গৰাকী।

০০০০০

সমাপ্ত